# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 30-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচী।

২। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ তিনিজন অভিযুক্তৰ জামিন আবেদনৰ আজি ৰায়দান।

৩। জাতিৰ পিতা মহাত্মা গান্ধীৰ ৭৮ সংখ্যক মৃত্যু বাৰ্ষিকী তথা শ্বহীদ দিৱস উপলক্ষে দেশবাসীৰ শ্ৰদ্ধা নিবেদন।

আৰু

৪। ৰাজ্যৰ ৩৪ খন জিলাত ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ সম্পূৰ্ণ।

০০০০০০০

———কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। জিলাখনৰ খনিকৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিছে। অনুষ্ঠানৰ আৰম্ভণিতে গৃহমন্ত্ৰীগৰাকীক ফুলাম গামোচা, হেংদাং আদিৰে সম্বৰ্ধনা জনোৱা হয়। মন্ত্ৰী প্ৰশান্ত ফুকনে আদৰণি ভাষণ দিয়ে।

- বাইট -

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে ডিব্ৰুগড়ৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে আজি অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাসগৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প  মুকলি কৰিব। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব। শ্ৰী শ্বাহে সন্ধিয়াৰ ভাগত গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা তিনিগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে ৰায় প্ৰদান কৰিব। যোৱা ২২ জানুৱাৰীত এই তিনিওজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আদালতত শুনানি অনুষ্ঠিত হৈছিল। শুনানিৰ সময়ত জিয়াউল কামাৰ নেতৃত্বাধীন লোক অধিবক্তাৰ দলে অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতা কৰি আবেদন দাখিল কৰিছিল। একেদৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়েও অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতাৰে আদালতত আবেদন দাখিল কৰিছিল। ন্যায়ালয়ে দুয়োপক্ষৰ যুক্তি তৰ্ক শুনাৰ পাছত অভিযুক্ত ৩ জনৰ জামিন আবেদন সন্দৰ্ভত ৰায় প্ৰদানৰ বাবে আজিৰ দিনটো ধাৰ্য কৰে। উল্লেখযোগ্য যে, যোৱাটো শুনানিত আদালতে অভিযুক্ত শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিন আবেদন দুখন প্ৰত্যাহাৰৰ বাবে অনুমতি প্ৰদান কৰে।

০০০০০০০

গুৱাহাটী মহানগৰৰ যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তই জি এন বি ৰোড উৰণ সেঁতুৰ নিৰ্মাণ কাৰ্য চলি থকাৰ পৰিপ্ৰেক্ষিতত যান-বাহন চলাচলত কিছু নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি জি এন বি ৰোড উৰণ সেঁতু আৰু চানমাৰি উৰণ সেঁতুৰ সংযোগস্থল উন্নয়ন আৰু জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত আজিৰে পৰা নিৰ্মাণ কাৰ্য সমাপ্ত নোহোৱালৈকে চানমাৰি উৰণ সেঁতুৰে সললো প্ৰকাৰৰ যান বাহনৰ চলাচলত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত যাত্ৰীসকলক এই পথ এৰাই চলি বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। জু-ৰোডৰ দিশৰ পৰা অহা যান-বাহনসমূহে অপূৰ্ব সিনহা পথ বা ৰাজগড় ৰোডেৰে আহ-যাহ কৰিব পাৰিব। ৰাজগড় ৰোডৰ পৰা দক্ষিণ শৰণীয়া পথ, জি এছ্ ৰোড. ড০ বি বৰুৱা ৰোড, জি এন বি ৰোড ব্যৱহাৰ কৰিব পাৰিব। চানমাৰিৰ দিশৰ পৰা অহা যানবাহনসমূহ এম আৰ ডি ৰোডেৰে বামুণীমৈদাম অভিমুখে যাব পাৰিব।

০০০০০০০

সমগ্ৰ দেশে আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ৭৮ সংখ্যক মৃত্যু বাৰ্ষিকী তথা শ্বহীদ দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে আজি নতুন দিল্লীৰ ৰাজঘাটৰ গান্ধী সমাধিত সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৃত্যু বাৰ্ষিকীত জাতিৰ পিতালৈ শ্ৰদ্ধা নিবেদন কৰি কয়, যে মহাত্মা গান্ধীয়ে স্বদেশী সামগ্ৰীৰ ওপৰত সদায় বিশেষ গুৰুত্ব আৰোপ কৰিছিল, যি হৈছে উন্নত আৰু আত্ম-নিৰ্ভৰশীল ভাৰতৰ মূল স্তম্ভ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহিংস আন্দোলনৰ কালজয়ী নেতৃত্ব প্ৰদান কৰা মহামানৱ মহাত্মা গান্ধী আৰু স্বাধীনতা আন্দোলনৰ প্ৰতিগৰাকী শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনায়। জাতিৰ পিতাৰ প্ৰতি শ্ৰদ্ধা জনাই দেশজুৰি আজি দিনৰ ১১ বজাত দুই মিনিটৰ বাবে মৌনতা অৱলম্বন কৰা হয়।

০০০০০০০

———ৰাজ্যৰ ৩৪ খন জিলাত ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ সম্পূৰ্ণ হৈছে। ভাৰতীয় নিৰ্বাচন আয়োগৰ তত্বাৱধানত যোৱা ১১ ডিচেম্বৰৰ পৰা ৯ জানুৱাৰীলৈকে ই ভি এম আৰু ভি ভি পেটৰ পৰীক্ষণ কৰা হয়। এই পৰীক্ষণ প্ৰক্ৰিয়াত স্বচ্ছতা সুনিশ্চিত কৰাৰ বাবে স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত থাকে। মুঠ ৪৩ হাজাৰ ৩৪৮ টা বেলট ইউনিট, ৩৪ হাজাৰ ১১৩ টা কণ্ট্ৰোল ইউনিট আৰু ৪৫ হাজাৰ ৩৩৫ টা ভি ভি পেট ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী প্ৰক্ৰিয়াত ব্যৱহাৰোপযোগী বুলি বিবেচনা কৰা হয়। তামুলপুৰ জিলাত অহা ১৮ ফেব্ৰুৱাৰীত প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আৰম্ভ হ'ব বুলি চৰকাৰী সূত্ৰত প্ৰকাশ।

০০০০০

আহোমসকলৰ পৰম্পৰাগত ধৰ্মীয় আৰু সামাজিক উৎসৱ মে-ডাম-মে-ফি উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত কেইবাদিনীয়া কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত আজিৰ পৰা ১ ফেব্ৰুৱাৰীলৈ মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। অৱশ্যে এইবাৰ প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন বাতিল কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত

শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হৈছে। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

ধেমাজি জিলাৰ হাবুঙত কালিৰেপৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, বাণিজ্য মেলা, ফুটবল, কুইজ আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কাইলৈ মে-ডাম-মে-ফিৰ মুকলি সভাত ইতিহাসবিদ নগেন হাজৰিকা আৰু সাহিত্যিক-সাংবাদিক উমেশ চেতিয়াক ২০২৫-২৬ বৰ্ষৰ হাবুং বঁটা আগবঢ়োৱা হ'ব।

গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে মে-ডাম-মে-ফি উদযাপন কৰা হ'ব। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত নটবমাৰ চ্যুকাফা নগৰত কাইলৈ দিনজোৱা কাৰ্যসূচীৰে মে-ডাম-মে-ফি উদযাপন কৰা হ'ব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ আছুতীয়া পুঁজিৰে আটক ধুনীয়াকৈ নিৰ্মাণ কৰা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা বিশাল প্ৰতিমূৰ্তি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উন্মোচন কৰিব।

০০০০০০০০

ধেমাজি জিলাৰ বগীবিলৰ কাৰেং চাপৰিত ৫ দিনীয়াকৈ অনুষ্ঠিত দশম মিচিং যুৱ মহোৎসৱৰ আজি সামৰণি পৰিব। সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মিচিং সমাজৰ ঐক্য, সংস্কৃতি আৰু আত্মচেতনাৰ উমৈহতীয়া মঞ্চ মিচিং যুৱ মহোৎসৱত জনগোষ্ঠীটোৰ পৰম্পৰা, কলাকৃষ্টি, সংস্কৃতি, আৰু থলুৱা খাদ্য সম্ভাৰৰ প্ৰদৰ্শন কৰা হয়। অসমৰ দ্বিতীয় বৃহৎ জনগোষ্ঠী হিচাপে পৰিচিত মিচিং জনগোষ্ঠীৰ এই যুৱ মহোৎসৱত অৰুণাচল প্ৰদেশৰ আদি, গালো, আপাতানি, নিচি আৰু টাগিন সম্প্ৰদায়ৰ লোকসকলেও অংশগ্ৰহণ কৰি সম্প্ৰীতি তথা ভাতৃত্ববোধৰ নিদৰ্শন দাঙি ধৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী ডাঃ ৰণোজ পেগু, মিচিং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

**সমাপ্ত**